①

## Problems of Tourism Industry in Assam

The important problems facing tourism sector in Assam are mentioned below :-

1) **Lack of effective Tourism Policy :-**

Lack of an integrated policy by the govt. both from the centre as well as the state is one of the main reasons for failure to promote tourism in Assam. The first tourism policy of the state was announced in 2008. Assam Government has formulated "Tourism policy of Assam, 2008" to fully harness the tourism potentiality of the state, Though the policies includes certain strategies for tourism development, but various factors hindered the proper implementation of the policy. The State govt. of Assam launched a new Tourism Policy "Tourism Policy of Assam 2017" on 19th October, 2017 with the aim of increasing tourist inflow in the state. But the ideas of ~~the~~ this policy are yet to be properly implemented.

2) Lack of adequate and tourist-friendly Infrastructure :- There is lack of infrastructure in Assam like the roads connecting to the national highways to the travel destination, Proper hotels, restaurants, tourist lodge affordable and reliable communication network, clean and hygienic food etc. This is a discouraging factor, which works against a good inflow of the tourists.

3) Restricted area permit :- There are some sensitive areas which requires permission from the Govt for entry. This take a lot of time and also very frustrating for the traveller.

4) Absence of trained and professional Tourist Guides :-
Assam virtually does not have any trained guides in important places of tourist attraction. Local people are not well trained to serve as guide, thus they can not satisfy the curiosity of the tourists. Also, few local people know Hindi or English, thus widening the communication gap.

(5) Lack of coordination among the stakeholders of tourism sector :-

For proper development of tourism industry there should be proper coordination among the all agencies related to the industry. Special emphasis should be given on public and private partnership to tap the unexploited potential opportunities.

6) Insurgency and political related problems :-

The problems of insurgency and political related problem have become the stumbling block in the course of development of Assam. The foreign and domestic tourists consider it risky to visit this part of the country.

7) Natural Factors :- Natural calamities such as floods and erosion, landslide, earthquake cause challenges on the way to make Assam a tourist destination. Some of the most popular tourist places of Assam like Kaziranga, Majuli, Manas etc. are temporarily closed down every year to tourists because of heavy rain and flood. During

flood, animals and flora and fauna have always been adversely affected and roads and bridges are almost collapsed which become major challenges ~~to~~ of the tourism industry of Assam.

# Problems of Tourism Industry in Assam :-

## অসমৰ পৰ্যটন উদ্যোগৰ সমস্যাসমূহ :-

1) <u>উপযুক্ত পৰ্যটন নীতিৰ অভাৱ</u> :- অসমত এক উপযুক্ত পৰ্যটন নীতিৰ অভাৱ দেখা যায়। অসমত পৰ্যটন উদ্যোগৰ বিকাশৰ যথেষ্ট সম্ভাৱনীয়তা থকা সত্ত্বেও এক উপযুক্ত পৰ্যটন নীতিৰ অভাৱৰ কাৰণেই অসমত পৰ্যটন উদ্যোগে আশা কৰা ধৰণে বিকাশ লাভ কৰা নাই। ২০০৮ চনত অসমৰ প্ৰথম পৰ্যটন নীতি "অসম পৰ্যটন নীতি ২০০৮" গ্ৰহণ কৰা হৈছিল। এই নীতিত অসমৰ পৰ্যটন উদ্যোগৰ বিকাশৰ বাবে কিছুমান ব্যৱস্থা হাতত লোৱা হৈছিল যদিও আশা কৰা ধৰণে বিশেষ ফলাফল লাভ কৰা হ'ল বুলি কব নোৱাৰি। ২০১৭ চনৰ ১৯ অক্টোবৰত অসম চৰকাৰে "অসম পৰ্যটন নীতি ২০১৭" নামেৰে এক নতুন পৰ্যটন নীতি গ্ৰহণ কৰে। এই নীতিৰ সফল ৰূপায়ণৰ জৰিয়তে অসম পৰ্যটন উদ্যোগৰ উন্নয়ন সাধন কৰিব বুলি আশা কৰিব পাৰি।

২) <u>উপযুক্ত আন্তঃগাঁথনিৰ অভাৱ</u> :- পৰ্যটন উদ্যোগৰ বিকাশৰ বাবে আৰু পৰ্যটক সকলক আকৰ্ষিত কৰিবলৈ আন্তঃগাঁথনিৰ ~~ক~~ সুবিধা যেনে - যাতায়ত আৰু যোগাযোগৰ সুব্যৱস্থা, উন্নতমানৰ হোটেল, টুৰিষ্ট লজ, স্বাস্থ্যসন্মত পৰিষ্কাৰ আহাৰৰ যোগান, ইত্যাদিৰ প্ৰয়োজন। কিন্তু অসমৰ পৰ্যটন স্থলী সমূহত উপযুক্ত আন্তঃগাঁথনিৰ অভাৱ প্ৰতিয়াও দেখিবলৈ পোৱা যায়।

3) <u>Restricted area permit</u> :- অসম তথা উত্তৰ-পূৰ্বৰ কিছুমান পৰ্যটনস্থলী অৰুণাচলৰ অঞ্চলত অৱস্থিত যিবোৰ ঠাইলৈ যাবলৈ আগতীয়াকৈ প্ৰশাসনৰ অনুমতি লবলগীয়া হয়। ইয়াৰ ফলত পৰ্যটক সকলে বিভিন্ন অসুবিধাৰ সন্মুখীন হয়।

4) <u>প্ৰশিক্ষণপ্ৰাপ্ত আৰু পেছাদাৰী টুৰিষ্ট গাইডৰ অভাৱ</u> :- অসমত ~~প্ৰশি~~ প্ৰশিক্ষণপ্ৰাপ্ত আৰু পেছাদাৰী টুৰিষ্ট গাইডৰ অভাৱ দেখিবলৈ পোৱা যায়। পৰ্যটন ক্ষেত্ৰসমূহৰ স্থানীয় লোকসকল প্ৰশিক্ষণপ্ৰাপ্ত নোহোৱাৰ লগতে বহুতৰ হিন্দী বা ইংৰাজী ভাষাজ্ঞানৰ অভাৱৰ বাবে দেশী-বিদেশী পৰ্যটকসকলৰ আগত সেই ঠাইখিনিৰ বিষয়ে ঠিক স্পষ্ট ছবি দাঙি ধৰাত অসুবিধাৰ সৃষ্টি হয়।

5) <u>সহযোগিতাৰ অভাৱ</u> :- অসমত পৰ্যটন উদ্যোগৰ বিকাশৰ যথেষ্ট সম্ভাৱনীয়তা আছে। অসম পৰ্যটন বিভাগ আৰু জনসাধাৰণৰ সহযোগিতাৰ জৰিয়তেহে পৰ্যটন উদ্যোগৰ ~~উ~~ উন্নয়ন সাধন কৰা সম্ভৱ। কিন্তু অসমত চৰকাৰ আৰু জনসাধাৰণ আৰু অন্যান্য বে-চৰকাৰী সংস্থাসমূহৰ মাজত সহযোগিতাৰ অভাৱ দেখিবলৈ পোৱা যায়।

6) উগ্ৰপন্থীমূলক কাৰ্যকলাপ আৰু ৰাজনৈতিক সমস্যা :-

অসমত বিদ্ৰোহী সংগঠনসমূহৰ কাৰ্য-কলাপে আৰু ৰাজনৈতিক সমস্যাসমূহেও পৰ্যটন উদ্যোগৰ বিকাশত বাধাৰ সৃষ্টি কৰা দেখা যায়। অসমলৈ পৰ্যটকৰ আগমনত এনেবোৰ কাৰকে নেতিবাচক প্ৰভাৱ পেলোৱা দেখা যায়।

7) প্ৰাকৃতিক কাৰক :- প্ৰাকৃতিক দুৰ্যোগ যেনে- বানপানী, গৰাখহনীয়া, ভূমিস্খলন, ভূমিকম্প আদিয়েও অসমত পৰ্যটন উদ্যোগৰ বিকাশত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। প্ৰত্যেক বছৰে বাৰিষাৰ কালত বানপানী, অতিবৃষ্টি আদিৰ কাৰণে অসমৰ বহুতো পৰ্যটনস্থলী যেনে, কাজিৰঙা, মাজুলী, মানস আদি অস্থায়ীভাৱে কিছুদিনলৈ পৰ্যটকৰ বাবে বন্ধ কৰি দিবলগীয়া হয়। তদুপৰি, বানপানী, গৰাখহনীয়া আদিয়ে বন্যপ্ৰাণীসমূহৰ বিস্তৰ ক্ষতিসাধন কৰাৰ লগতে যাতায়ত আৰু যোগাযোগ ব্যৱস্থা ব্যাহত কৰি তোলে। অসমৰ পৰ্যটন উদ্যোগৰ বাবে ই এক ডাঙৰ প্ৰত্যাহ্বান।